# 2021

( Held in 2022 )

## ASSAMESE

Paper : ASM–RE–5026

( অসমীয়া লোকসাহিত্য অধ্যয়ন )

( Regular Elective )

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমুকৈ উত্তৰ দিয়া : ১×১০=১০

(ক) ডঃ সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে অসমীয়া আখ্যানমূলক জনগীতসমূহক প্ৰধানকৈ কেইটা ভাগত ভাগ কৰিব পাৰি ?

(খ) অসমীয়া লোকসাহিত্যৰ প্ৰথমজন গৱেষক কোন ?

(গ) জিকিৰ শব্দৰ অৰ্থ কি ?

(ঘ) নিচুকনি গীতৰ আন এটা নাম কি?

(ঙ) 'মৈছাল' গীত কি কৰ্মৰ সতে জড়িত গীত?

(চ) অসমৰ কোন জনগোষ্ঠীৰ সাধুকথাক 'লেকে দঃগ্নিং' বুলি কয়?

(ছ) 'হাইদাং' গীত কোন জনগোষ্ঠীৰ গীত?

(জ) কি উপলক্ষে 'ছাথাৰ' গীত গোৱা হয়?

(ঝ) 'ৰাম বাৰমাহী' গীতটো অসমীয়া কোনটো মাহৰ উল্লেখেৰে আৰম্ভ হৈছে?

(ঞ) 'জনা গাভৰু'ৰ আখ্যান গীতটিৰ নায়কগৰাকীৰ নাম কি?

২। চমুকৈ উত্তৰ দিয়া : ২×৫=১০

(ক) লোকসাহিত্যৰ দুটা ঘাই বৈশিষ্ট্য উল্লেখ কৰা।

(খ) দুটা অসমীয়া স্তুতিমূলক গীতৰ নাম লিখা।

(গ) অসমীয়া ভাষাত ৰচিত দুখন মন্ত্ৰপুথিৰ নাম লিখা।

(ঘ) 'বৈছাগু মেথায়' আৰু 'ৰাওনা ৰাওনি' মানে কি?

(ঙ) দুটা বুৰঞ্জীমূলক মালিতাৰ নাম উল্লেখ কৰা।





৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) অসমীয়া ফকৰা-যোজনা

(খ) মহোহো বা মহখেদা গীত

(গ) সমকালীন কাহিনী গীত

(ঘ) নাওখেলৰ গীত

(ঙ) ধৰ্মমূলক গীত

(চ) বাৰমাহী গীত

৪। (ক) লোকসাহিত্যৰ স্বৰূপ নিৰ্ণয় কৰি এটি প্ৰবন্ধ যুগুত কৰা। ১০

অথবা

(খ) লোকগীতৰ বৈশিষ্ট্য নিৰূপণ কৰি অসমীয়া লোকগীতৰ শ্ৰেণী বিভাজন কৰি দেখুওৱা।

৫। (ক) "এই প্ৰবচন-প্ৰবাদ বাক্যবোৰ হৈছে—দহৰ জ্ঞান, একৰ বাণী।" বোলা কথাষাৰিৰ সন্দৰ্ভত তোমাৰ অভিমত ব্যক্ত কৰা। ১০

অথবা

(খ) অসমৰ খেল-ধেমালিৰ সতে জড়িত গীতসমূহৰ বিষয়ে এটি আলোচনা যুগুত কৰা।

৬। (ক) অসমীয়া জনশ্ৰুতিমূলক যি কোনো এটি আখ্যানগীতৰ বিষয়বস্তু সম্পৰ্কে বহলাই লিখা। ১০

*অথবা*

(খ) লক্ষ্মীনাথ বেজবৰুৱাই ৰচনা কৰা যি কোনো এটি কৃত্ৰিম মালিতাৰ কথাবস্তু সম্পৰ্কে এটি আলোচনা আগবঢ়োৱা।

৭। (ক) অসমীয়া অনুষ্ঠানমূলক লোকগীত সম্পৰ্কে বিৱৰি লিখা। ১০

*অথবা*

(খ) বড়ো *নাইবা* ৰাভা জনগোষ্ঠীৰ উৎসৱকেন্দ্ৰিক গীতৰ বিষয়ে এটি আলোচনা দাঙি ধৰা।

★★★